Elementary English

প্ৰাথমিক ইংৰাজী

TESS India

# Developing and monitoring reading

# পঠন বিকাশ আৰু নিৰীক্ষণ






Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

cc BY SA
http://creativecommons.org/licenses/

The Open University

UKaid from the British people

*TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge.*

*TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.*

*TESS-India is led by The Open University UK and funded by the UK government.*

***Video resources***

*Some of the activities in this unit are accompanied by the following icon:*  *. This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.*

*The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.*

*TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.*

*Version 2.0 EE13v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*

*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

# এই গোটটো কিহৰ বিষয়ে (What this unit is about)

এই গোটটিত পাব আপোনাৰ ছাত্ৰ- ছাত্ৰী সকলৰ সহায়ক হোৱাকৈ ইংৰাজীত সৰৱ পঠন আৰু নীৰৱ পঠনৰ মূল কৌশলসমূহৰ বিকাশ সাধন আৰু সৰৱ পঠনৰ পৰা নীৰৱ পঠনলৈ গতি কৰা কৌশল।

আপুনি যেতিয়া আপোনাৰ ছাত্ৰ- ছাত্ৰীসকলে ইংৰাজীত সৰৱ পঠন কৰা শুনে, তেওঁলোকৰ পঠন সক্ষমতা আপুনি নিৰীক্ষণ কৰিব পাৰে। সৰৱ পঠনে ছাত্ৰ- ছাত্ৰীসকলক তেওঁলোকৰ উচ্চাৰণ অভ্যাস কৰিবলৈ আৰু ইংৰাজী ব্যৱহাৰত আত্মবিশ্বাস বৃদ্ধিত সহায় কৰে।

প্ৰথম বা দ্বিতীয় ভাষাত ছাত্ৰ- ছাত্ৰীসকলে পঠন কৰিলেও তেওঁলোকৰ বাবে নীৰৱ পঠন এক যথেষ্ট উচ্চ পৰ্যায়ৰ কৌশল। নীৰৱ পঠনৰ সচৰাচৰ বিকাশ ঘটে যেতিয়া ছাত্ৰ-ছাত্ৰীক সৰৱ পঠন কৰি শুনোৱা হয় আৰু আন কাৰোবাৰ সৈতে লগে লগে সৰৱ পঠন কৰোৱাৰ পাছতো ইয়াৰ বিকাশ ঘটে। সেয়েহে ছাত্ৰ- ছাত্ৰীসকল অধিক পৈণত আৰু স্বাধীন পঢ়ুৱৈ হোৱাৰ লগে লগে নীৰব পঠন কৰোৱাটোৱেই হৈছে এক লক্ষ্য।

এই গোটটিয়ে আপোনাক সমৰ্থবান দলত 'নিৰ্দেশিত পঠন' (guided reading) ৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক সংগঠিত কৰাৰ অভ্যাস কৰাত পৰিচয় কৰাই দিব। ই আপোনাৰ বাবে এটা নতুন ধাৰণা হ'ব পাৰে, নাইবা নিৰ্দেশিত পঠনৰ দিশসমূহ আপুনি হয়তো ইতিমধ্যে কৰিছেই। আপুনি পঠনক উৎসাহিত আৰু নিৰীক্ষণ কৰিবৰ বাবে পঠন পত্ৰ (reading cards) সমল হিচাবে চাব পাৰিব।

# এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- আপোনাৰ ছাত্ৰ- ছাত্ৰীসকলৰ সৈতে ইংৰাজীত সৰৱ পঠন বিকাশ কৰিবলৈ
- আপোনাৰ ছাত্ৰ- ছাত্ৰীসকলৰ ইংৰাজীত নীৰৱ পঠন বিকশাই তুলিবলৈ
- ইংৰাজীত নিৰ্দেশিত পঠন (guided reading) সংগঠিত কৰিবলৈ

# ১) আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে ইংৰাজীত সৰব পঠনৰ বিকাশ (1 Developing reading aloud in English with your students)

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক ইংৰাজীত পঢ়ুৱৈ হিচাপে গঢ়ি তুলিবলৈ এতিয়া আপুনি কি কৰিব সেইটো ভাবি আৰম্ভণি কৰক।

## ত্ৰি য়া - কলাপ ১ ঃ আপোনাৰ পঠন-ৰুটীন (কাৰ্যত্ৰ মণিকা) পৰীক্ষা কৰক (Activity 1: Audit your reading routines)

আপুনি নিজে শ্ৰেণীত ইংৰাজীৰ সৰব-পঠন কৰাটোৱেই কেৱল গুৰুত্বপূৰ্ণ নহয় -আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলেও এয়া কৰিবলৈ সুযোগ পোৱা উচিত।

আপোনাৰ নিজৰ শ্ৰেণীসমূহৰ বিষয়ে ভাবকচোন। তলত দিয়া ত্ৰি য়া-কলাপ কিমান সতকাই আপুনি কৰে - কেতিয়াও নকৰে, মাজে-সময়ে বা প্ৰায়ে কৰে?

তালিকা ১ ত্ৰি য়া-কলাপ প্ৰায়েই কেনেকৈ কৰে?

| ত্ৰি য়া - কলাপ বা কাৰ্য | কাহানিও নকৰে | মাজে-সময়ে কৰে | প্ৰায়ে কৰে |
|---|---|---|---|
| পাঠ্যপুথি বা ব্লেক ব'ৰ্ডৰ পৰা মই সৰৱ পঠন কৰোঁ। ছাত্ৰ - ছাত্ৰীসকলে নীৰৱে অনুসৰণ কৰে। | | | |
| মই পাঠ্যপুথি বা কৃষ্ণফলকৰ পৰা সৰৱ পঠন কৰোঁ। ছাত্ৰ - ছাত্ৰীসকলে তৎক্ষনাত মোক অনুসৰণ কৰি পঢ়ি যায়। | | | |
| মই পাঠ্যপুথি বা কৃষ্ণ ফলকৰ পৰা সৰৱ পঠন কৰোঁ। ছাত্ৰ - ছাত্ৰীসকলে মোৰ লগে লগে সৰৱ পঠন কৰে। | | | |
| ছাত্ৰ - ছাত্ৰীসকলে সৰু সৰু দলত, সক্ষমতা অনুসৰি, সৰৱ পঠন কৰা মই শুনোঁ, তেতিয়া শ্ৰেণীৰ অন্যান্যসকলে নীৰৱে কাম কৰি থাকে। | | | |

| ত্ৰি য়া - কলাপ | কাহানিও নকৰে | মাজে-সময়ে | প্ৰায়ে |
|---|---|---|---|
| মই ছাত্ৰ - ছাত্ৰীসকলক নাম মাতি সৰৱ পঠন কৰিবলৈ কওঁ আৰু গোটেই শ্ৰেণীটোক শুনিবলৈ কওঁ। | | | |
| মই  ছাত্ৰ - ছাত্ৰীসকলক কোনো এটি পাঠ নীৰৱে পঢ়িবলৈ কওঁ আৰু তেওঁলোকক পৰ্যৱেক্ষণ কৰোঁ। | | | |
| মই ছাত্ৰ - ছাত্ৰীসকলক এটি পাঠ নীৰৱে পঢ়িবলৈ কওঁ আৰু সেই বিষয়ে তেওঁলোকক প্ৰ.ন সোধো। | | | |

এই আটাইবোৰেই কাৰ্যকৰী পদ্ধতি আৰু আপোনাৰ শ্ৰেণীকোঠাৰ পঠন-কাৰ্যত্ৰ মণিকাৰ ভিন্নতা আনিবলৈ আপুনি এইবোৰ অনুশীলন কৰিব পাৰে। কিন্তু যিমান কথিত ইংৰাজী (Spoken English) ৰ লগত ছাত্ৰ-ছাত্ৰীৰ পৰিচয় ঘটিব সিমানেই ভাল। গতিকে সৰৱ পঠন এটি ভাল অভ্যাস আৰু আপোনাৰ লগে লগে, আপোনাৰ পিছে পিছে তাৎক্ষণিকভাৱে অথবা আপুনি মাঁথো তেওঁলোকৰ পঠন শুনি যাবলৈ ছাত্ৰ-ছাত্ৰীসকলক সৰৱ পঠন কৰোৱাওক।

এইবোৰৰ প্ৰতিটো ক্ষেত্ৰতে আপুনি ছাত্ৰ-ছাত্ৰীসকলৰ পঠন কৌশলসমূহ পৰ্যবেক্ষণ আৰু মান নিৰূপণ (assess) কৰিব পাৰিব। আপুনি প্ৰায়েই ব্যৱহাৰ কৰা কাৰ্যত্ৰ মণিকা (Routine) কি কি? এগৰাকী শিক্ষক হিচাপে আপোনাৰ বাবে আৰু ইংৰাজীৰ শিকাৰু হিচাপে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই কাৰ্যত্ৰ মণিকাবোৰৰ পৰা লাভালাভ (benefits) কি?

এতিয়া আপুনি ব্যৱহাৰ নকৰা বা খুব কমকৈ ব্যৱহাৰ কৰা কাৰ্যত্ৰ মণিকা সমূহ (Routines) চাওক। এই কাৰ্যত্ৰ মণিকাসমূহ ৰূপায়ণ কৰাৰ দিশত আপোনাৰ প্ৰত্যাহ্বানসমূহ কি কি? ই বাৰু আত্মবি.ধাস, সমল বা শ্ৰেণীৰ আকাৰ (ছাত্ৰ-ছাত্ৰীৰ সংখ্যা) ৰ বিষয় নেকি? এই গোটটিত থকা ত্ৰি য়া-কলাপ আৰু সমলসমূহৰ লক্ষ্য হৈছে শ্ৰেণীকোঠাত আপোনাৰ পঠন-কাৰ্যত্ৰ মণিকা (Reading routines) বিস্তৃতভাৱে প্ৰসাৰিত কৰাৰ বাবে আপোনাৰ আত্মবি.ধাসৰ বিকাশ সাধন কৰা।

## ২) আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৰৱ পঠন কৰাবলৈ (2 Getting your students to read aloud)

তলত দিয়া কাৰ্য-অধ্যয়নত এগৰাকী শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলৰ পঠন নিৰীক্ষণ আৰু মূল্যায়ন কৰিবলৈ পদক্ষেপ লৈছে।

### ঘটনা অধ্যয়ন ১ ঃ প্ৰণব বৰুৱাই ছাত্ৰ-ছাত্ৰীসকলক সৰৱ পঠন কৰিবলৈ উৎসাহিত কৰিছে (Case Study 1: Pranab Baruah encourages students to read aloud)

প্ৰণব বৰুৱা এগৰাকী পঞ্চম শ্ৰেণীৰ ইংৰাজী শিক্ষক।

আমাৰ ইংৰাজী পাঠ্যপুথিত বহুতো চুটি গল্প বা সাধুকথা আছে। মই সদায় এই সাধুকথাবোৰ ছাত্ৰ-ছাত্ৰীসকলক সৰৱ পঠন কৰি শুনাওঁ আৰু মই পঢ়ি যাওঁতে তেওঁলোকক কিতাপত সেই সাধুকথাবোৰ নীৰৱে অনুসৰণ কৰিবলৈ দিওঁ। অৱশ্যে, কেতিয়াবা, মই লক্ষ্য কৰিছিলোঁ যে সাধুটো তেওঁলোকে বুজি পোৱা নাছিল বা পাঠটোনো কি বিষয়ে সেই সম্পৰ্কে তেওঁলোকৰ কোনো ধাৰণা নাছিল, যেতিয়া মই সেই বিষয়ে প্ৰ.ন কৰিছিলোঁ।

তেওঁলোকে যি পঢ়িছে তাক বুজি পাইছেনে নাই সেয়া মই নিৰীক্ষণ কৰিবলৈ বিচাৰিছিলোঁ। মই ভাবিছিলোঁ, এয়া কৰিবলৈ এটা উপায় হ'ল ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিৰ পৰা সৰৱে পঠন কৰোৱা, বিশেষকৈ সাধুটো আমি আটায়ে এবাৰ পঢ়াৰ পিছত। প্ৰতিদিনে মই কেৱল তিনি বা চাৰি গৰাকীকৈ ছাত্ৰ-ছাত্ৰী মাতিব পাৰিছিলোঁ, কিন্তু মই ভাবিছিলোঁ যে যদি মই প্ৰতিদিনে এয়া কৰোঁ, বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে প্ৰত্যেক দুইসপ্তাহত অন্ততঃ এবাৰকৈ পঢ়িবলৈ ভাগত পাব। এইদৰে ছাত্ৰ-ছাত্ৰীয়ে নিয়মীয়াকৈ সৰৱ পঠন কৰিবলৈ সুযোগ লাভ কৰিব আৰু পৰস্পৰৰ সৰৱ পঠন শুনিবলৈ পাব।

মই ভাবি লৈছিলোঁ যে যদিহে মই মোৰ ছাত্ৰ-ছাত্ৰীসকলক ভালকৈ শিকাওঁ, তেওঁলোকে সৰৱ পঠন কৰোঁতে ভুল নকৰিব। কিন্তু মই লক্ষ্য কৰিছিলোঁ যে যিসকল ছাত্ৰ-ছাত্ৰীয়ে কোনো ভুল নকৰাকৈ পঢ়িছে প্ৰকৃততে তেওঁলোকে পঢ়াৰ ভাও ধৰে, পাঠটো মুখস্থ কৰি পুনৰাবৃত্তি কৰে। মই উপলব্ধি কৰিছিলোঁ যে মই তেওঁলোকক যি পঢ়ি দিছিলোঁ যদি সেয়া তেওঁলোকে কেৱল মুখস্থহে কৰে, প্ৰকৃতাৰ্থত তেওঁলোকে একোকে শিকিব নোৱাৰে। যিসকল ছাত্ৰ-ছাত্ৰীয়ে সঁচা-সঁচিকৈ পঢ়ে আৰু বুজি পায়, তেওঁলোকে বেছি ধীৰগতিত পঢ়াৰ প্ৰৱণতা দেখুৱায়, ভুল কৰে আৰু  কিছুমান শব্দ পঢ়োঁতে টান পায়। মই উপলব্ধি কৰিছিলোঁ যে সেই 'ভুলবোৰে' আচলতে ইয়াকে সূচায় যে শিকন হৈ আছে। কিন্তু ছাত্ৰ-ছাত্ৰীসকলে ভুল কৰিবলৈ ভাল নাপায়, গতিকে মই তেওঁলোকক চেষ্টা চলাই যাবলৈ উৎসাহ

যোগাব লাগিব আৰু যেতিয়া তেওঁলোকে পঠন কৰে তেওঁলোকক নিয়মীয়াকৈ প্ৰশংসা কৰিব লাগিব।

কোনো কোনো সময়ত যেতিয়া এগৰাকী ছাত্ৰ-ছাত্ৰীয়ে কোনো এটা শব্দ পঢ়িবলৈ টান পায় তেতিয়া তেওঁলোকে তাক এৰি থৈ যাবলৈ খুজিব পাৰে। কিন্তু মই তেওঁলোকক পঢ়ি চাবলৈ আৰু ই কি বুজাইছে তাক বুজি পাবলৈ সময় ল'বলৈ উৎসাহিত কৰাৰ চেষ্টা কৰো। তেওঁলোকে শব্দটো এবাৰ পঢ়ি বুজি পালে, মই সেই ছাত্ৰ-ছাত্ৰীগৰাকীক বাক্যটোৰ আৰম্ভণিলৈ উভতি যাবলৈ আৰু ইয়াক পুনৰ পঢ়িবলৈ কওঁ। বাৰে বাৰে কঠিন শব্দ, ব্যাকাংশ আৰু খণ্ডবাক্যবোৰ পঢ়াৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীৰ পঠনৰ গতি, শুদ্ধতা আৰু প্ৰকাশ ভঙ্গীত উন্নতি সাধন হোৱা দেখা যায় - যেতিয়া তেওঁলোকে সৰৱ পঠনত ভাগ লয়। এইটো গুৰুত্বপূৰ্ণ কথা যে ছাত্ৰ-ছাত্ৰীয়ে যাতে মনোগ্ৰাহী পাঠ পঢ়িবলৈ পায় যিয়ে তেওঁলোকক বাৰে বাৰে পঢ়াৰ বাবে অভিৰোচিত কৰে। অৱশ্যে, মই দেখিছোঁ যে যদিহে কোনো ছাত্ৰ-ছাত্ৰীয়ে কিবা পঢ়োতে বাৰে বাৰে উজুটি খায়, তেন্তে তাক তেওঁ আৰু আগবঢ়াই নিয়াৰ কোনো হেতু নাই। তেতিয়া মই এইটো টোকা কৰি লওঁ যে, সেই ছাত্ৰ-ছাত্ৰীগৰাকীক পঠনৰ ক্ষেত্ৰত অধিক সহায়ৰ অৱশ্যক আছে আৰু পিছৰবাৰ তেওঁলোকক পঢ়িবলৈ অধিক সৰল পাঠ বাছি দিওঁ। মই তেতিয়া পাৰিলে তেওঁলোকৰ লগত গাই-গুটীয়াভাৱে কাম কৰোঁ। মই লক্ষ্য কৰিছিলো যে ছাত্ৰ-ছাত্ৰীসকলৰ পঠন সক্ষমতা প্ৰায়ে উন্নত হ'ব যদিহে অধিকাংশ পৰিচিত শব্দ আৰু বাক্যাংশ বা খণ্ডবাক্য থকা পাঠ তেওঁলোকক দিয়া হয়।

### চিন্তন (Pause for thought)

- প্ৰণব বৰুৱাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ইংৰাজী পঠন বোধ মূল্যায়ন কৰাৰ পদ্ধতিসমূহ কি কি ?
- তেখেতে পঠনত কম সক্ষম ছাত্ৰ-ছাত্ৰীসকলক কেনেকৈ সহায় আগবঢ়ায় ?
- প্ৰণব বৰুৱাৰ মতে ছাত্ৰ-ছাত্ৰীসকলে ভুলকৈ সৰৱ পঠন কৰি থকাৰ মাজতে শিকন সংঘটিত হয় বুলি কয় আপুনি এই মতামতটোৰ সৈতে একমত নে? কিয় হয় বা কিয় নহয় ?
- প্ৰণব বৰুৱাই জানে যে ছাত্ৰ-ছাত্ৰীক প্ৰশংসা আৰু উৎসাহিত কৰাটো কিমান গুৰুত্বপূৰ্ণ। আপোনাৰ শ্ৰেণীকোঠাত এয়া আপুনি কেনেদৰে কৰে ?

পৰৱৰ্তী কাৰ্যটিত ছাত্ৰ-ছাত্ৰীসকলৰ ইংৰাজীত সৰৱ পঠনৰ কৌশলসমূহ বিকাশৰ ওপৰত আলোকপাত কৰা হৈছে।

## ক্ৰিয়া-কলাপ ২ ঃ ছাত্ৰ-ছাত্ৰীসকলে সৰৱ পঠন কৰা শুনক (Activity 2: Listen to students read aloud)

ছাত্ৰ-ছাত্ৰীসকলে ব্যক্তিগতভাৱে ইংৰাজীত সৰৱ পঠন কৰি আপোনাক শুনাবলৈ ৩০ মিনিটীয়া এটি কাৰ্যকালৰ পৰিকল্পনা কৰক।

- একে সক্ষমতাৰ ছাত্ৰ-ছাত্ৰীসকলৰ এটা সৰু দল ( ছয় গৰাকীতকৈ অধিক নহয় ) গঠন কৰক।
- তেওঁলোকে পঢ়িবৰ বাবে পাঠ্যপুথিৰ পৰা এটি অংশ বাছনি কৰক - এই পাঠৰ সৈতে তেওঁলোক অধিক পৰিচিত হ'ব নালাগিব।
- নিশ্চিত কৰক যে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰে এখনকৈ পাঠ্যপুথি আছে বা তেওঁলোক আটায়ে যাতে পাঠটি চাবলৈ পায়।
- শ্ৰেণীৰ অন্যান্যসকলৰ বাবে কোনো নীৰৱ কাৰ্য ঠিক কৰক ।
- শ্ৰেণীকোঠাত এডোখৰ ঠাই ঠিক কৰক য'ত আপুনি দলটিৰ সৈতে বহিব পাৰে।
- এটি নিয়ম বান্ধি দিয়ক যাতে আপুনি আৰু দলটিয়ে কোনো আমনি বা বাধা নাপায়।
- শ্ৰেণীটোক কওক যে প্ৰত্যেকে একোটাকৈ সৰু দলত আপোনাক পঢ়ি শুনাবলৈ সুযোগ লাভ কৰিব।



শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলৰ সৰৱ পঠন শুনিছে

সৰু দলটিৰ লগত বহক। বুজাই কওক যে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে আপোনাক এটা দফা সৰৱ পাঠ কৰি শুনাব যাতে আপুনি শুনি তেওঁলোকৰ পঠনত উৎসাহ যোগাব পাৰে। ছয়গৰাকী ছাত্ৰ-ছাত্ৰীকে পাঠ্যপুথিখন দিয়ক আৰু তেওঁলোক প্ৰত্যেককেই এটা অংশ সৰৱ পঠন কৰি আপোনাক শুনাবলৈ কওক।



শিক্ষকে এটা সৰু দলৰ সৈতে সময় কটাইছে

ছাত্ৰ-ছাত্ৰীসকলে পঢ়ি যাওঁতে মন দি শুনক। যদিহে কোনো এটা শব্দৰ বিষয়ে তেওঁলোক নিশ্চিত নহয়, পোনছাটেই আপুনি সহায় কৰিবলৈ আগনাবাঢ়িব। নম্ৰভাৱে তেওঁলোকক উৎসাহিত কৰি শব্দটো বা বাক্যটো চেষ্টা কৰিবলৈ দিয়ক। তলত দিয়া কৌশলসমূহৰ কোনটো তেওঁলোকে ব্যৱহাৰ কৰা দেখিছে?

- শব্দসমূহৰ ধ্বনি উচ্চাৰণ কৰা (বৰ্ণ বা ধ্বনিৰ জ্ঞান ব্যৱহাৰ কৰা)
- সাধু বা সম্পৰ্কিত কোনো ছবিৰ প্ৰাসংগিকতাত শব্দবোৰ অনুমান কৰা
- চিনাকি বাক্যাংশৰ কাৰণে পাছত কি শব্দ আহিব পাৰে সেয়া অনুমান কৰা
- এবাৰত এটা শব্দ পঢ়া
- সম্পৰ্কিত পাঠ আৰু বাক্যাংশ পঢ়া
- প্ৰতিটো শব্দ আঙুলিয়াই দিয়া
- স্মৃতিৰ পৰা শব্দসমূহ পঢ়া
- স্মৃতিৰ পৰা বাক্যবোৰ পঢ়া
- অনুমান কৰা

এটা নতুন ভাষাত পঠন অভ্যাস কৰিবলৈ এই আটাইবোৰেই গ্ৰহণযোগ্য উপায়। যদি ছাত্ৰ-ছাত্ৰীসকলে এটা কৌশল ব্যৱহাৰ কৰে, আপুনি তেওঁলোকক শব্দসমূহ আন উপায়েৰে চেষ্টা কৰি চাবলৈ অনুপ্ৰাণিত কৰিব পাৰে। উদাহৰণস্বৰূপে, আপুনি সুধিব পাৰে 'What does the picture show?' বা 'What letter is this and what sound does it make?'

ছাত্ৰ-ছাত্ৰীৰ সৰৱ পঠন শুনাতো হৈছে মান নিৰূপণ বা মূল্যায়নৰ এটা সুযোগ (assessment opportunity)। ছাত্ৰ-ছাত্ৰীয়ে আগলৈ কি কিতাপ বা পাঠ পঢ়া উচিত আপুনি কেনেকৈ ঠিৰাং কৰিব? আপোনাৰ সিদ্ধান্ত গ্ৰহণত পঠনৰ-স্তৰসমূহৰ গুৰুত্ব কেনে? আপুনি ছাত্ৰ-ছাত্ৰীসকলৰ বয়সক গুৰুত্ব দিয়েনে? অন্যান্য কি কাৰকে আপোনাৰ মান নিৰূপণত (assessment) প্ৰভাৱ পেলায়?

যেতিয়া আপুনি ছাত্ৰ-ছাত্ৰীসকলে সৰৱ পঠন কৰা শুনে তেতিয়া আপুনি তেওঁলোকৰ সাৱলীলতা (fluency) আৰু উচ্চাৰণ নিৰীক্ষণ কৰিব পাৰে। তেওঁলোকক আপুনি বোধৰ প্ৰ.ন সুধিব পাৰে। আপুনি ছাত্ৰ-ছাত্ৰীসকলক সুধিব পাৰে যে কিতাপখনৰ বিষয়ে তেওঁলোকে কি ভাল পাইছে বা কি আকৰ্ষণীয় অথবা হাস্যকৰ পাইছে। ইয়ে তেওঁলোকক আনন্দদায়কভাৱে পঠনৰ বিষয়ে কথা পাতিবলৈ সময় দিব।

যদিহে প্ৰতি সপ্তাহতে এদল ছাত্ৰ-ছাত্ৰীয়ে আপোনাক পঢ়ি শুনায়, আপোনাৰ শ্ৰেণীৰ প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে এমাহৰ পৰা ছয় সপ্তাহৰ ওপৰ কাললৈ আপোনাক সৰৱ পঠন কৰি শুনাব পাৰিব। প্ৰত্যেক সপ্তাহত কোনটো দলে আপোনাৰ সৈতে পঢ়িব তাক দেখুৱাই এখন প্ৰাচীৰ তালিকা (wall chart) যুগুত কৰক। আপোনাৰ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিটো দলৰ বাবে এইয়া বিশেষ সময় হিচাপে গঢ়ি তোলক। সমল ১ – 'নিৰীক্ষণ আৰু প্ৰতিপুষ্টি প্ৰদান' চাই ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি মূল্যায়ন আৰু নথিভুক্তকৰণৰ পদ্ধতিসমূহৰ বিষয়ে অধিক কথা জানি লওক।

## ৩) নীৰৱ পঠনৰ বাবে সমলসমূহ (3 Resources for reading silently)

ছাত্ৰ-ছাত্ৰীসকলক শ্ৰেণীত নীৰৱ পঠন কৰণৰ বাবে সুযোগ দিয়া উচিত। বাস্তৱ জীৱনত সম্ভৱতঃ তেওঁলোকে এই ধৰণৰ পঠনেই কৰিব। আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক নিজে পঢ়িব পৰাকৈ প্ৰস্তুত কৰি তুলিবলৈ আপুনি 'পঠন পত্ৰ' (booklets or cards) ব্যৱহাৰ কৰিব পাৰে ঃ কঠিনতা অনুযায়ী শ্ৰেণীবদ্ধ কৰা চুটি পাঠ বা সাধু থকা সৰু পুস্তিকা বা পত্ৰিকা (grade cards)। বিভিন্ন প্ৰকাৰৰ ইংৰাজী পাঠ্যপুথিৰ পৰা সৰল পাঠ বা সাধুকথা প্ৰতিলিপি কৰি আপোনাৰ নিজৰ শ্ৰেণীবদ্ধ পত্ৰিকা (grade cards) প্ৰস্তুত কৰি ল'ব পাৰে। পাঠ্যপুথিৰ অনুশীলনী অংশ হিচাপে দিয়া প্ৰ.নসমূহৰ কিছুমান লিখি উলিয়াব পাৰে নাইবা আপোনাৰ নিজৰ প্ৰ.ন কেতবোৰ যুগুতাব পাৰে।

### ক্ৰি য়া-কলাপ ৩ ঃ নীৰৱ পঠনৰ বাবে পঠন কাৰ্ডসমূহৰ অনুসন্ধান (Activity 3: Exploring reading cards for silent reading)

চিত্ৰ ১ ত আৰম্ভকাৰীৰ বাবে শব্দ পঠন কাৰ্ড (word reading card) ৰ এটি উদাহৰণ দেখুওৱা হৈছে। প্ৰত্যেক কাৰ্ডতে অৰ্থৰ সম্পৰ্ক থকা কিছু শব্দৰ গোটৰ বাবে ছবি আৰু একেই নিৰ্দেশনা দিয়া আছে। আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ ভাষাত নিৰ্দেশনাসমূহ আপুনি ব্যাখ্যা কৰি দিব পাৰে।


1

## What are these things?

Find the correct name for each picture. Write it in your notebook.

1 2 3

4 5 6

a. a door
b. a wall
c. a roof
d. a window
e. a staircase
f. a gate

চিত্ৰ ১ এখন পঠন পত্ৰৰ উদাহৰণ

চিত্ৰ ২ ত আন দুখন পঠন কাৰ্ড (reading card) চুটি সাধুসহ দেখুওৱা হৈছে।


100

**Balu's Hill**

There is a hill near Balu's village.
Balu's goats eat the grass on the hill.

One day some men come there.
They say, "This hill is made of good rock."

They break up the hill. They take away the stone.
There is no hill now.

Where will Balu's goats find grass?

41

**The Carpenter**

Ramu is a carpenter.
He makes chairs.
He makes a chair for me.
Ramu the carpenter is my father.

চিত্ৰ ২ দুখন সাধু কাৰ্ড (Two story cards)

প্ৰতিখন কাৰ্ডৰ পিছফালে তলত দিয়া প্ৰ.নসমূহ দিয়া আছে। সেইবোৰ আপুনি সহজ নে টান পাইছে? এই কাৰ্ডবোৰ (Cards) পঢ়িবলৈ আৰু প্ৰ.নবোৰ নিজে উত্তৰ দিব পৰাকৈ সক্ষম হ'বলৈ এগৰাকী ছাত্ৰ কোন শ্ৰেণীত অধ্যয়ন কৰিব লাগিব?

'Balu's Hill':

- Balu's village is near a _______ (hill, river).
- Balu has some _______ (dogs, goats).
- The goats eat _______ (stone, grass).
- The hill is made of _______ (rock, grass).
- The men take away the _______ (grass, stone).

'The Carpenter'

Choose the right words:

- Ramu is a _______ (farmer, carpenter).
- Ramu makes _______ (cars, chairs).
- Ramu makes a _______ (chair, table) for me.
- Ramu is my _______ (mother, father).

পঠন কাৰ্ড ব্যৱহাৰ কৰাৰ অভিজ্ঞতা আপোনাৰ আছেনে? যদিহে আছে, ছাত্ৰ-ছাত্ৰীসকলে সেইবোৰ ব্যৱহাৰ কৰোঁতে পোৱা লাভালাভ আৰু সমস্যাবোৰ আপুনি কি বুলি ভাবে?

আপোনাৰ ওচৰত পঠন কাৰ্ড আছেনে? আপোনাৰ ওচৰত পঠন কাৰ্ড আছে কিন্তু শ্ৰেণীকোঠাত কেতিয়াও ব্যৱহাৰ কৰা নাই নেকি? সেইবোৰ ব্যৱহাৰ কৰাত আপোনাক কিহে বাধা দিছে?

আপুনি ভাবে নেকি যে সম্ভৱতঃ পাঠ্যপুথিৰ কোনো এটি পাঠৰ আধাৰত আপুনি নিজস্ব পঠন কাৰ্ড তৈয়াৰ কৰি ল'ব পাৰে? নিদানমূলক কাৰ্যৰ প্ৰয়োজন থকা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আপুনি কেনেদৰে এইবোৰ আৰ্হি প্ৰস্তুত কৰিব?

পঠন কাৰ্ডসমূহে ছাত্ৰ-ছাত্ৰীসকলক কম কঠিনৰ পৰা বেছি কঠিন কাৰ্ডলৈ আগবাঢ়ি যাওঁতে নিজৰ বোধ নিৰীক্ষণ বা মূল্যায়ন কৰাত সুবিধা দিয়ে। ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ স্তৰৰ (level) অনুযায়ী কাৰ্ডসমূহ পঢ়িবলৈ বাছনি কৰিব পাৰে ঃ যদিহে এখন কাৰ্ড খুবেই সহজ হয়, তেওঁলোকে আগুৱাই যাব পাৰে; যদি সেয়া খুবেই টান হয়, তেন্তে তেওঁলোকে তাতকৈ সহজ কাৰ্ড এখনলৈ ওভতি বা পিছুৱাই যাব পাৰে।

## ক্ৰিয়া - কলাপ ৪ ঃ পঠন কাৰ্ড যুগুতকৰণ (Activity 4: Making reading cards)

এজাপ অতি সহজ পঠন- পত্ৰপ্ৰস্তুত কৰক। কোনো এটা বিষয়ৰ বাবে আপুনি ইংৰাজী শব্দ-সম্ভাৰ (vocabulary), এটা অতি চুটি কবিতা বা সাধু নাইবা নিৰ্দিষ্ট ঘটনা সমগ্ৰ (set of facts) বাছি ল'ব পাৰে (উদাহৰণস্বৰূপে, জন্তুৰ নাম অথবা শৰীৰৰ অংগ প্ৰতংগবোৰ)

১) কেঁচী, কঠিন কাৰ্ড আৰু আঠা যোগাৰ কৰক।

২) ছয়খন কাৰ্ড কাটি উলিয়াওক - এইবোৰ এনেকুৱা আকৃতিৰ হয় যাতে ছাত্ৰ-ছাত্ৰীয়ে সহজতে ধৰিব আৰু পঢ়িব পাৰে।

৩) শব্দ-সম্ভাৰ (vocabulary) বা অতি চুটি পাঠ নিৰ্বাচন কৰক।

৪) কাৰ্ডৰ এপিঠিত পাঠখিনি লিখক।

৫) যদি সঠিক হয়, ছবিবোৰ অংকন কৰক বা আঠা লগাই দিয়ক।

৬) কাৰ্ডবোৰৰ আনটো পিঠিত পাঠ সম্পৰ্কে সহজ প্ৰ.নবোৰ লিখক।

এটি ৩০ মিনিটৰ শ্ৰেণীৰ বাবে পাঠদান কাৰ্য পৰিকল্পনা কৰক য'ত আপুনি ছাত্ৰ-ছাত্ৰীৰ এটা সৰু দলত (ছয় গৰাকীতকৈ বেছি নহয়)

এই কার্ডসমূহ দিব।

তেওঁলোকক কার্ডবোৰ পঢ়িবলৈ দিয়ক আৰু প্ৰ.ৰ উত্তৰবোৰ তেওঁলোকৰ টোকা বহীত লিখিবলৈ কওক। এই দলটিক আপোনাৰ সৰু সৰৱ পঠন দল (ত্রি য়া-কলাপ ২) টোৰ লেখীয়াকৈ একে সময়তে আৰু একেধৰণে সংগঠিত কৰিব পাৰে। শ্ৰেণীৰ অন্যান্যসকলক নিজে নিজে কৰিব পৰাকৈ নীৰৱ কাৰ্য দিয়া উচিত। শ্ৰেণীৰ প্ৰত্যেকেই যে পঠন কাৰ্ডৰ ত্রি য়া-কলাপটো দলগতভাৱে কৰিবলৈ সুযোগ পাব সেয়া কৈ দিয়ক। বুজাই কওক যে পাঠবোৰ চুটি আৰু প্ৰ.বোৰ সহজ, গতিকে ছাত্ৰ-ছাত্ৰীসকলে নিজেই সেইবোৰৰ উত্তৰ দিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে স্বাধীনভাৱে কাম কৰাৰ কৌশল বিকাশ কৰাৰ এইয়া এক সুযোগ।

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কেইখন কাৰ্ড পঢ়িলে, কি পৰ্যায়ত আৰু সঠিকভাৱে উত্তৰ দিছেনে নাই সেইয়া চাই আপুনি তেওঁলোকৰ নীৰৱ পঠন নিৰীক্ষণ আৰু মূল্যায়ন কৰিব পাৰিব। ছাত্ৰ-ছাত্ৰীসকলৰ বোধ পৰীক্ষা কৰিবলৈ আপুনি আপোনাৰ নিজা প্ৰ.ন কেতবোৰ সুধিবও পাৰে।

পাছৰ অংশটিত সক্ষমতা দলসমূহৰ নিৰ্দেশত পঠনৰ ওপৰত আলোকপাত কৰা হৈছে। পঢ়ি যাওঁতে আপুনি ভাবক কেনেদৰে পঠন কাৰ্ডবোৰ নিৰ্দেশিত পঠনৰ বাবে ব্যৱহাৰ কৰিব পৰা যায়।

## ৪) সম্পূৰ্ণ শ্ৰেণীৰ দলগত নিৰ্দেশিত পঠন (4 Whole-class guided reading in groups)

নিৰ্দেশিত পঠনত, পঠন সক্ষমতা অনুযায়ী দলত ভাগ কৰি সম্পূৰ্ণ শ্ৰেণীটো সংগঠিত কৰক। প্ৰতিটো দলৰ পঠন পৰ্যায় অনুযায়ী ব্যক্তি গত কিতাপ বা পঠন কাৰ্ড নাইবা এখন সমূহীয়া কিতাপ থাকিব।



নিৰ্দেশিত পঠন (Guided reading)

আপুনি প্ৰতিটো দলৰ সৈতে সময় কটাওক, ছাত্ৰ-ছাত্ৰীসকলে ব্যক্তি গতভাৱে সৰৱ পঠন কৰা শুনক। প্ৰতিটো দলৰ সৈতে আপুনি কাম কৰি থাকোঁতে আনবোৰ দলে স্বাধীনভাৱে কাম কৰি থাকিব লাগিব।

- আপুনি কেতিয়াবা এইটো কৰিছেনে বা আনে কৰা দেখিছেনে?
- এই পদ্ধতিৰ লাভালাভ কি বুলি ভাবে? এই পদ্ধতিৰ অসুবিধাসমূহ আপুনি কি বুলি ভাবে?
- পঠনৰ বাবে আপোনাৰ শ্ৰেণীটোক দলত বিভক্ত কৰিবলৈ হ'লে আপুনি শ্ৰেণীটোৰ বিষয়ে কি জনাটো আৱশ্যক?

ছাত্ৰ-ছাত্ৰীসকলে বেলেগ বেলেগ গতিবেগত পঢ়িব আৰু বিভিন্ন সময়ত সমাপ্ত কৰিব। যেতিয়া আপুনি ছাত্ৰ-ছাত্ৰীসকলক দলগত কৰিবলৈ দিব, তেওঁলোকে পঠন সমাপ্ত কৰাৰ লগে লগে একোটা অতিৰিক্ত কাৰ্য কৰিবলৈ দিয়াটো প্ৰয়োজন। যেনে - চৰিত্ৰসমূহৰ ছবি অংকন, ত্রি য়া-কলাপসমূহ সম্পূৰ্ণকৰণ, সাধুটোৰ এটা নতুন বেটুপাতৰ আৰ্হি প্ৰস্তুতকৰণ। এই অতিৰিক্ত কাৰ্যটিয়ে পুৰস্কাৰৰ কাম কৰিব আৰু ছাত্ৰ-ছাত্ৰীসকলক অভিৰোচিত বা আগ্ৰহী কৰি তুলিব।

সমল ২ — 'দলীয় কাৰ্যৰ ব্যৱহাৰ' চাওক



## ভি.ডি.অ' ঃ দলীয় কাৰ্যৰ ব্যৱহাৰ (Video: Using groupwork)



ছাত্ৰ-ছাত্ৰীক পঠনত সহায় কৰা

অন্তিমটো ঘটনা অধ্যয়নত এগৰাকী শিক্ষকে প্ৰত্যাহ্বানমূলক পৰিস্থিতিত নিৰ্দেশিত পঠন সংগঠিত কৰিছে।

## ঘটনা অধ্যয়ন ২ঃ জেনা বেগমে নিৰ্দেশিত পঠনৰ দলসমূহ পৰিচালিত কৰিছে (Case Study 2: Jena Begum manages guided reading groups)

জেনা বেগমে বিভিন্ন পঠন স্তৰৰ ৪৬ গৰাকী চতুৰ্থ আৰু ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰী থকা এটি বহুস্তৰীয় শ্ৰেণীত ইংৰাজী শিকায়। তেওঁ মুঠ ৮০ মিনিট সময়ৰ দুটা পিৰিয়দৰ বাবে এটা নিৰ্দেশিত পঠনৰ শ্ৰেণী পাঠদান পৰিকল্পনা কৰিছিল।

### দল বিভাজন আৰু সমলসমূহ (Grouping and resources)

প্ৰথমতে, মই ছাত্ৰ-ছাত্ৰীসকলক ছটা দলত বহিবলৈ দিলো ঃ আঠজনীয়া পাঁচটা দল আৰু ছয়জনীয় এটা দলত বহিবলৈ দিলো। ছাত্ৰ-ছাত্ৰীসকল কোন, ক'ত, কেনেকৈ বহিব আৰু প্ৰত্যেকেই একোটাকৈ দলত কোনকেইগৰাকী ছাত্ৰ-ছাত্ৰী পাব, তেওঁলোকৰ নাম মাতি দল গঠন কৰাৰ ক্ষেত্ৰত মই চাৰিগৰাকী ছাত্ৰ-ছাত্ৰীৰ সহায় ল'লো। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক দল এটাত স্থান দিওঁতে মই লক্ষ্য ৰাখিছিলো যাতে একে পৰ্যায়ৰ পঠন সামৰ্থ থকা ছাত্ৰ-ছাত্ৰীসকল একেটা দলতে সোমায়।

এটা দলৰ ছাত্ৰ-ছাত্ৰীয়ে সামান্যভাৱেহে ইংৰাজী পঢ়িব পাৰে। সেয়ে এই দলটোক মই প্ৰথম শ্ৰেণীৰ এটা সাধু কথাৰ (big book) দিলো। দুটা দলৰ ছাত্ৰ-ছাত্ৰীসকলে কিছু সাৱলীলভাৱে পঢ়িব পাৰিছিল। তাৰে এটা দলক মই বিদ্যালয় পুথিভঁৰালৰ পৰা অনা সাধুকথাৰ কিতাপবোৰ দিলো আৰু আনটো দলক বাতৰি কাকতৰ শিশু পৃষ্ঠাৰ পৰা মই সংকলিত কৰা সহজ সাধু বা গল্প সংগ্ৰহ এটা দিলো। আন দুটা দলৰ ছাত্ৰ-ছাত্ৰীসকল ইংৰাজী বৰ্ণমালা আৰু ধ্বনিৰ সৈতে পৰিচিত আছিল আৰু কিছুসংখ্যক শব্দ চিনি পাইছিল। গতিকে মই তেওঁলোকক শব্দ আৰু ছবি তথা সহজ প্ৰ. থকা পঠন কাৰ্ডসমূহ ব্যৱহাৰ কৰিবলৈ দিছিলোঁ। মই এই কাৰ্ডসমূহ বয়সীয়া বা জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলৰ সহায়ত বছৰৰ আগভাগতে প্ৰস্তুত কৰি লৈছিলোঁ।

শেষৰ দলটিৰ ছাত্ৰ-ছাত্ৰী ছয় গৰাকীক বিশেষ সহায়ৰ প্ৰয়োজন ঃ এটি শিশু অন্ধ, এটি পঠন অক্ষমতাগ্ৰস্ত আৰু চাৰিগৰাকী কেৱল দহদিন আগতে বিদ্যালয়ত যোগদান কৰা প্ৰব্ৰজনকাৰী ছাত্ৰ-ছাত্ৰী আছিল। অন্ধ শিশুটিক মই বালি কাগজ (sand paper) ৰ পৰা কাটি উলিওৱা স্পৰ্শ কৰিব পৰা বৰ্ণ কেতবোৰ দিলো, যিদৰে মোক গ্ৰীষ্মকালীন সামূহিক শিক্ষা সম্পৰ্কীয় প্ৰশিক্ষণত অংশ লওঁতে পৰামৰ্শ দিয়া হৈছিল তেনেদৰে মই তেওঁক সেই বৰ্ণবোৰ স্পৰ্শ কৰি অনুভৱ কৰি কি বৰ্ণ অনুমান কৰিবলৈ দিছিলোঁ আৰু মই তেওঁক সহায় কৰিবলৈ ওভতি আহিম বুলি কৈছিলোঁ। বাকী পাঁচ্চ গৰাকীক মই এখন ডাঙৰ ছবি কিতাপ দিলো যিখন মোৰ নিনিজৰ পুত্ৰই ইতিমধ্যে পঢ়ি শেষ কৰিছিল। মই এই দলটোক পাল পাতি এহই ছবি কিতাপখন চাবলৈ আৰু তেওঁলোকে দেখা ছবিবোৰৰ বিষয়ে মনে মনে কথা

পাতিবলৈ দিছিলোঁ আৰু তেওঁলোকক সহায় কৰিবলৈ ওভতি আহিম বুলি কৈছিলোঁ।

## নিৰীক্ষণ আৰু মান নিৰূপণ (Monitoring and assessment)

মই ছাত্ৰ-ছাত্ৰীৰ তিনিটা দলক পৰ্যৱেক্ষন কৰিবলৈ আঁচনি যুগুতাইছিলোঁ ঃ দুগৰাকী ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ টান পাইছিল আৰু এগৰাকী সাৱলীল পঠনক্ষম। ৮০ মিনিট সময়ৰ দুটা পিৰিয়দৰ সময়ছোৱাৰ ভিতৰতে মই বিচাৰিছিলোঁ যে ছাত্ৰ-ছাত্ৰীসকলৰ আটাইকেইটা দলতে মই সময় কটোৱাটো নিশ্চিত কৰিব পাৰো।

ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ দলত এবাৰ স্থায়ীভাৱে থিতাপি লোৱাৰ পাছত মই পাঁচ মিনিট এটা দলৰ পৰা আনটো দললৈ চাৰিওফালে ঘূৰি নিশ্চিত হৈছিলোঁ যে তেওঁলোক আটায়ে পঢ়িছিল আৰু তেওঁলোকৰ পৰা কি বিচৰা হৈছে সেইয়া তেওঁলোকে বুজিব পাৰিছিল। তেওঁলোকে থিতাপি লোৱা বুলি এবাৰ মই সন্তুষ্টি লাভ কৰাৰ পাছত মই প্ৰতিটো দলৰ সৈতে ১০-১৫ মিনিটকৈ কটাই প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে সাধুৰ এটা অংশ পঢ়া শুনিছিলোঁ আৰু য'ত প্ৰয়োজন সহায় কৰিছিলোঁ তথা তেওঁলোকে পঢ়াখিনি কিমানদূৰ বুজি পাইছিল জানিবলৈ প্ৰ ্ন সুধিছিলোঁ। এইয়া কৰোঁতে মই আগতীয়াকৈ যুগুতাই লোৱা এখনকৈ নিৰীক্ষণ তালিকা প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে ব্যৱহাৰ কৰিছিলোঁ আৰু য'ত প্ৰয়োজন হয় অতি চমুকৈ টোকা লিখিছিলোঁ।

## শ্ৰেণীকোঠাৰ ব্যৱস্থাপনা (Classroom management)

যি সময়ত মই তৃতীয় দলটি পাইছিলোঁ, তেতিয়া আন এটা দলৰ দুগৰাকী ছাত্ৰ-ছাত্ৰীয়ে কাজিয়া কৰিবলৈ আৰম্ভ কৰিছিল। প্ৰথম দলৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীৰে তেওঁলোকৰ বাবে নিৰ্ধাৰণ কৰি দিয়া পাঠ পঢ়া হৈছিল আৰু মোৰ মনোযোগ বিচাৰিছিল। এটা মূহুৰ্তৰ বাবে মই দ্বিধাগ্ৰস্ত হৈছিলোঁ। মই তৃতীয় দলটিৰ সৈতে অধিক সয়ম কটাবলৈ ঠিৰাং কৰিলো কাৰণ যথেষ্ট চেষ্টা কৰা সত্বেও তেওঁলোকে পঢ়িবলৈ কষ্ট কৰিবলগীয়া হৈছিল। মই তৎক্ষণাত ব্যৱস্থা ল'বলগীয়া হৈছিল। মই কাজিয়াত লিপ্ত ছাত্ৰ-ছাত্ৰী দুগৰাকীক আঁতৰাই বিভিন্ন দলত সোমোৱাই দিছিলোঁ আৰু তেওঁলোকক আনক সহায় কৰিবলৈ কৈছিলোঁ। তেওঁলোকে সেইয়া পাৰিছেনে নাই মই লক্ষ্য কৰি থাকিম বুলি কৈছিলোঁ। যিসকল ছাত্ৰ-ছাত্ৰীয়ে পঢ়া শেষ কৰিছে তেওঁলোকক নিজ নিজ টোকা বহীত সাধুটোৰ ছবি আঁকি দেখুৱাবলৈ কৈছিলোঁ। আন দুগৰাকীক ছবিৰ কিতাপখন সৰৱ পঠন কৰি শেষ দলটিক শুনাবলৈ কৈছিলোঁ। তেতিয়াহে মই পাছৰ ২০ মিনিট সময় তৃতীয় দলটিৰ লগত কটাব পাৰিছিলোঁ।

সেই সময়ত, শ্ৰেণীৰ হুলস্থুলীয় পৰিৱেশ ত্ৰ মাৎ বৃদ্ধি পাবলৈ ধৰিছিল যিহেতু ছাত্ৰ-ছাত্ৰীসকলে হয় পঢ়া শেষ কৰিছিল নতুবা অস্থিৰ হৈ পৰিছিল। মই মোৰ গণনা কৌশল প্ৰয়োগ কৰিলো, মোৰ ছাত্ৰ-ছাত্ৰীসকলে জানে যে যেতিয়া মই লাহে লাহে পাঁচলৈ গনিবলৈ আৰম্ভ কৰো তেওঁলোকে নিজ নিজ ঠাইত পুনৰ থিতাপি লাগিব আৰু গোলমাল কৰাটো বন্ধ কৰিব লাগিব। আহাৰ বিৰতিৰ আগত মাথো পাঁচ মিনিটহে ৰ'লগৈ। মই তেওঁলোকক ততালিকে এটা গৃহ কাৰ্য কৰি আনিবলৈ দিলো - তেওঁলোকৰ ঘৰত বা চুবুৰীয়া দোকানত পোৱা যিকোনো তিনিবিধ সামগ্ৰীৰ নামৰ লেবেল পঢ়িবলৈ আৰু প্ৰতিলিপি কৰিবলৈ ক'লো। মই শেষৰ ছয়জনীয়া ছাত্ৰ-ছাত্ৰীৰ দলটিক একাষৰীয়াকৈ মাতি আনিছিলোঁ আৰু তেওঁলোকক গৃহকাৰ্য হিচাপে যিকোনো তিনিবিধ সামগ্ৰী আঁকি তাৰ প্ৰথম আখৰবোৰ লিখি আনিবলৈ কৈছিলোঁ। মই অন্ধ শিশুটিক তাইৰ মাকক সুধি তিনিটা সামগ্ৰীৰ নাম জানি আহি পাছৰ শ্ৰেণীত ক'বলৈ দিছিলোঁ।

ঘন্টা বজাৰ পাছতে মই মোৰ দিনপঞ্জীত এটি টোকা লিখিলো ঃ পৰৱৰ্তী শ্ৰেণীত পুথিভঁৰালৰ কিতাপ দিয়া দলটিৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগত বহিবলৈ সময় ৰাখিব লাগিব আৰু সেই দিনাখন যিসকল ছাত্ৰ-ছাত্ৰীৰ পঠন মই নুশুনিলো তেওঁলোকৰ নামবোৰ লিখি থ'লো।

## চিন্তন (Pause for thought)

জেনা বেগমে এটি বৃহৎ শ্ৰেণীত এক অতি জটিল, বহু স্তৰীয় শ্ৰেণীকোঠাৰ ত্ৰি য়া-কলাপ চলাইছিল। বহু কাৰ্যৰ ৰূপায়ন হৈছিল। জেনা বেগমৰ পৰা আপোনাৰ শ্ৰেণীটো কিমানদূৰ একে বা পৃথক বি ্ষণ কৰক। এই গোটটি শেষ কৰিবলৈ জেনা বেগমৰ কৌশলসমূহৰ সম্পৰ্কে তলৰ প্ৰ ্নবোৰৰ উত্তৰ দিয়ক ঃ

- জেনা বেগমে প্ৰয়োগ কৰা কিছুমান শ্ৰেণী ব্যৱস্থাপনাৰ কৌশল কি কি?
- জেনা বেগমে পঠন আৰু দলগত কাৰ্যৰ বাবে ব্যৱহাৰ কৰা কোনো কৌশল আপুনি প্ৰয়োগ কৰিছেনে?
- জেনা বেগমৰ ঠাইত যদি আপুনি থাকিলেহেঁতেন আপুনি আনধৰণে কি কৰিলেহেঁতেন? কিয়?
- জেনা বেগমে (big book), পুথিভঁৰালৰ কিতাপ, পঠন কাৰ্ড, বাতৰি কাকতৰ পৰা তেওঁ প্ৰস্তুত কৰা সৰু কিতাপ আৰু তেওঁৰ পুত্ৰৰ ছবিৰ কিতাপ ব্যৱহাৰ কৰিছিল। আপোনাৰ শ্ৰেণীকোঠাত পঠন দলসমূহ সংগঠিত

কৰাত সহায়ক হোৱাকৈ আপোনাৰ তাত কি কি সমল আছে?

- জেনা বেগমে কিছু বয়সীয়া ছাত্র-ছাত্রীসকলৰ বাবে এখন প্ৰথম শ্ৰেণীৰ (big book) ব্যৱহাৰ কৰিছিল। আপুনি এনে এখন শ্ৰেণীৰ কিতাপৰ কথা ভাবিব পাৰে নেকি যাক আপুনি ব্যৱহাৰ কৰিব বা সমযোজন কৰিব পাৰে যাতে ইয়াক আপুনি অধিক বা কম সাৱলীলভাৱে সক্ষম পঢুৱৈসকলক দিব পাৰে?

আপুনি যদি ভাবে যে জেনা বেগমে কৰা সকলো কাম আপুনি কৰিব নোৱাৰে, তেন্তে আমি আশা কৰোঁ যে এই গোটটিয়ে আপোনাক নতুন সময়সূচী আৰু আপোনাৰ শ্ৰেণীকোঠাত ইংৰাজী পঠনৰ বাবে সমলসমূহ প্ৰয়োগ কৰি চাবলৈ কিছু ধাৰণা আৰু অনুপ্ৰেৰণা যোগাইছে।

## ৫) সাৰাংশ (5 Summary)

এই গোটটিত আপুনি পঠন বিকাশ আৰু নিৰীক্ষণ তথা ইংৰাজীত সৰৱ পঠনৰ পৰা নীৰৱ পঠনলৈ অগ্ৰসৰ হোৱাত গুৰুত্ব দি আলোকপাত কৰিছে। আপুনি এক সমল হিচাপে পঠন কাৰ্যসমূহ প্ৰত্যক্ষ কৰিছে আৰু পঠন দলৰ কাৰ্যৰ ব্যৱস্থাপনাৰ দিশসমূহ লক্ষ্য কৰিছে। আপুনি সৰৱ পঠন আৰু নীৰৱ পঠনৰ মান নিৰূপণ কৰাৰ কথাও বিবেচনা কৰিছে।

পঠন কেনেদৰে কৰে সেইয়া জনাৰ আটাইতকৈ ডাঙৰ এটা লাভ হ'ল এইয়ে এবাৰ এই কৌশলটি আয়ত্ত কৰাৰ পাছত আপোনাৰ ছাত্র-ছাত্রীসকলে যিটো আকৰ্ষণীয় যেন পায় তাকে পঢ়িবলৈ আগবাঢ়ি যায়। শ্ৰেণীৰ অন্যান্যসকলক অপেক্ষা নকৰাকৈ বা শিক্ষকে তেওঁলোকক কি পঢ়িব লাগিব নকওঁতেই তেওঁলোকে নিজে নিজে আগবাঢ়ি যাব পাৰে। আমাৰ আশা যে এই গোটৰ ক্ৰি য়া-কলাপ আৰু কাৰ্য ঘটনা অধ্যয়নসমূহে আপোনাৰ শ্ৰেণীকোঠাৰ ইংৰাজী পঠনৰ সময় সূচী প্ৰস্তুতকৰণত সহায় কৰিব।

এই বিষয়বস্তু সন্দৰ্ভত অন্যান্য প্ৰাথমিক ইংৰাজী শিক্ষক বিকাশ গোটসমূহ হ'ল ঃ

- ইংৰাজী বৰ্ণ আৰু ধ্বনিসমূহ *(Letters and sounds of English)*
- গল্প কথন *(Storytelling)*
- অংশীদাৰী পঠন *(Shared reading)*
- এটা পাঠৰ পৰিকল্পনা *(Planning around a text)*
- পঠন পৰিৱেশ উন্নীতকৰণ *(Promoting the reading environment)*

## সমলসমূহ (Resources)

## সমল ১ ঃ নিৰীক্ষণ আৰু প্ৰতিপুষ্টি প্ৰদান (Resource 1: Monitoring and giving feedback)

ছাত্র-ছাত্রীৰ পাৰদৰ্শিতা (performance) উন্নত কৰাৰ লগত নিৰবিচ্ছিন্নভাৱে নিৰীক্ষণ আৰু তেওঁলোকক সঁহাৰি জনোৱাটো জড়িত হৈ থাকে, যাতে তেওঁলোকে এইটো জানি থাকে যে তেওঁলোকৰ পৰা কি আশা কৰা হৈছে আৰু কাৰ্যসমূহ সম্পাদন কৰাৰ পাছত তেওঁলোকে প্ৰতিপুষ্টি লাভ কৰিব। আপোনাৰ গঠনমূলক প্ৰতিপুষ্টিৰ জৰিয়তে তেওঁলোকৰ কাৰ্য সম্পাদন পাৰদৰ্শিতা উন্নততৰ কৰিব পাৰিব।

### নিৰীক্ষণ (Monitoring)

কাৰ্যকৰী শিক্ষকসকলে বেছিভাগ সময়তে তেওঁলোকৰ ছাত্র-ছাত্রীসকলক নিৰীক্ষণ কৰে। সাধাৰণতে, বেছিভাগ শিক্ষকেই ছাত্র-ছাত্রীৰ কাম-কাজ শুনি আৰু শ্ৰেণীত তেওঁলোকে কি কৰে তাক পৰ্যবেক্ষণ কৰি নিৰীক্ষণ কৰে। ছাত্র-ছাত্রীৰ অগ্ৰসৰতা নিৰীক্ষণ কৰাটো গুৰুত্বপূৰ্ণ কাৰণ ইয়ে তেওঁলোকক তলত দিয়া ধৰণে সহায় কৰে ঃ

- উচ্চতৰ মান লাভ কৰিবলৈ
- তেওঁলোকৰ কাৰ্যকৰণ সম্পৰ্কে সজাগ হ'বলৈ আৰু তেওঁলোকৰ শিকনৰ বাবে অধিক দায়িত্বশীল হ'বলৈ
- তেওঁলোকৰ শিকন উন্নততৰ কৰিবলৈ
- ৰাজ্যিক আৰু স্থানীয় মানবিশিষ্ট (standardised) অভীক্ষা সমূহ (tests) প্ৰাপ্তিত অনুমান কৰাত।

**ই আপোনাক শিক্ষক হিচাপে তলত দিয়া সিদ্ধান্তসমূহ লোৱাত সহায় কৰে ঃ**

- কেতিয়া প্ৰ.ন এটা সুধিব বা সোঁৱৰাই দিব (prompt)
- কেতিয়া প্ৰশংসা কৰিব
- প্ৰত্যাহ্বান জনাবনে
- কেনেদৰে একোটা কাৰ্যত ছাত্ৰ-ছাত্ৰীৰ ভিন ভিন দলক অন্তৰ্ভুক্ত কৰিব
- ভুল সমূহৰ ক্ষেত্ৰত কি কৰিব।

আপুনি সন্মুখীন হ'বলগীয়া প্ৰত্যাহ্বানসমূহৰ ভিতৰত এটা হ'ল ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ নিজস্ব শিকন লক্ষ্যসমূহ, যাক স্ব-নিৰীক্ষণ বুলি জনা যায়, নিৰ্দ্ধাৰণ কৰি দিয়াটো। বিশেষকৈ যিসকল ছাত্ৰ-ছাত্ৰীয়ে সংগ্ৰাম কৰিবলগীয়া হয় তেওঁলোকে নিজৰ শিকন আহৰণ সম্পৰ্কে অভ্যস্ত নহয়। কিন্তু আপুনি যিকোনো ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ কোনো প্ৰকল্পৰ বাবে নিজৰ লক্ষ্য বা উদ্দেশ্যসমূহ থিৰাং কৰাত, কাৰ্য-আচঁনি যুগুতোৱাত আৰু অন্তিমসীমা নিৰ্দ্ধাৰণ কৰা আৰু তেওঁলোকৰ অগ্ৰগতি স্ব-নিৰীক্ষণ কৰাত সহায় আগবঢ়াব পাৰে। প্ৰক্ৰিয়াটো অভ্যাস কৰা আৰু স্ব-নিৰীক্ষণৰ কৌশল আয়ত্ত কৰাটোৱে তেওঁলোকক বিদ্যালয়ত তথা গোটেই জীৱন জুৰি ভালদৰে অগ্ৰসৰ হোৱাত সহায় কৰিব।

## ছাত্ৰ-ছাত্ৰীলৈ কাণ দিয়া আৰু পৰ্যৱেক্ষণ কৰা (Listening to and observing students)

প্ৰায়ভাগ সময়তে শিক্ষকসকলে স্বাভাৱিকভাৱেই ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি কান দিয়ে আৰু পৰ্যৱেক্ষণ কৰে; ই এটা সৰল নিৰীক্ষণ আহিলা। উদাহৰণস্বৰূপে, আপুনি হয়তো ঃ

- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে সৰব পঠন কৰাটো শুনে
- যুৰীয়া বা দলীয় কাৰ্যত হোৱা আলোচনাসমূহ শুনে
- ছাত্ৰ-ছাত্ৰীসকলে বাহিৰত বা শ্ৰেণীকোঠাৰ ভিতৰত সমলসমূহ ব্যৱহাৰ কৰাটো পৰ্যৱেক্ষণ কৰে
- দলসমূহে কাম কৰি থাকোতে তেওঁলোকৰ শাৰীৰিক ভাষা লক্ষ্য কৰে।

এইটো সুনিশ্চিত কৰক যে আপুনি সংগ্ৰহ কৰা পৰ্যবেক্ষণবোৰ শিক্ষাৰ্থীৰ শিকন বা অগ্ৰসৰতাৰ শুদ্ধ প্ৰমাণ হয়। আপুনি যি দেখে, শুনে, ন্যায্যতা দিয়ে বা গণ্য কৰে কেৱল তাকহে লিপিৱদ্ধ কৰিব।

যেতিয়া ছাত্ৰ-ছাত্ৰীসকলে কাম কৰে, চমু পৰ্যৱেক্ষণ টোকা প্ৰস্তুত কৰিবলৈ শ্ৰেণীকোঠাত ঘূৰা-ফুৰা কৰক। আপুনি এখনি শ্ৰেণী তালিকা ব্যৱহাৰ কৰিব পাৰে যাতে ছাত্ৰ-ছাত্ৰীয়ে ক'ত অধিক সহায় বিচাৰে তাক লিপিবদ্ধ কৰিব পাৰে, আৰু কোনো ভুল বুজাবুজিৰ উদ্ভৱ হ'লেও টুকি ৰাখিব পাৰে। এই পৰ্যৱেক্ষণ আৰু টোকাসমূহ আপুনি গোটেই শ্ৰেণীটোক প্ৰতিপুষ্টি দিবলৈ ব্যৱহাৰ কৰিব পাৰে বা দলবোৰক অথবা ব্যক্তিগতভাৱে সহায় আৰু উৎসাহ যোগাবলৈ ব্যৱহাৰ কৰিব পাৰে।

## প্ৰতিপুষ্টি প্ৰদান (Giving feedback)

প্ৰতিপুষ্টি হৈছে এনে এক তথ্য যাক আপুনি এগৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰে য'ত তেওঁলোকে এক নিৰ্দিষ্ট লক্ষ্য বা আকাংক্ষিত ফলাফলৰ সম্পৰ্কত কেনে ধৰণৰ কাৰ্য সম্পাদন কৰিছে উল্লেখ থাকে। কাৰ্যকৰী প্ৰতিপুষ্টিয়ে ছাত্ৰ-ছাত্ৰীক জনায় ঃ

- কি ঘটিছে তাৰ তথ্য
- এটা ক্ৰিয়া-কলাপ বা কাৰ্য কিমান ভালদৰে সম্পাদন হ'ল তাৰ এক মূল্যায়ন
- তেওঁলোকৰ কাৰ্যকৰণ পাৰদৰ্শিতা কেনেদৰে আৰু উন্নত কৰিব পাৰি তাৰ নিৰ্দেশনা

### আপুনি যেতিয়া প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক প্ৰতিপুষ্টি দিয়ে, ই তেওঁলোকক এইটো জনাত সহায় কৰা উচিত যে—

- প্ৰকৃততে তেওঁলোকে কি কৰিব পাৰে
- তেওঁলোকে এতিয়াও কি কৰিব নোৱাৰে
- আনৰ সৈতে তেওঁলোকৰ কামৰ কেনেদৰে তুলনা হয়
- কেনেদৰে তেওঁলোকে কাম উন্নততৰ কৰিব পাৰে।

এইটো মনত ৰখা দৰ্কাৰ যে কাৰ্যকৰী প্ৰতিপুষ্টিয়ে ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰে। প্ৰতিপুষ্টি অস্পষ্ট বা সঠিক নোহোৱাৰ বাবে শিকন প্ৰক্ৰিয়াত ব্যাঘাত জন্মাটো আপুনি নিবিচাৰে। কাৰ্যকৰী প্ৰতিপুষ্টি ঃ

- ছাত্ৰ-ছাত্ৰীসকলে কৰিবলৈ হাতত লোৱা কাম আৰু আৱশ্যকীয় শিকনৰ ওপৰত আলোকপাত কৰা গুৰুত্ব আৰোপ
- স্পষ্ট আৰু সঠিক লগতে ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ ভাল দিশৰ বিষয়ে কোৱাৰ লগতে ক'ত উন্নত কৰাৰ প্ৰয়োজন আছে তাক কোৱা
- কাৰ্যকৰণযোগ্য যিয়ে ছাত্ৰ-ছাত্ৰীয়ে কৰিব পৰা কোনো কাৰ্য কৰিবলৈ কয়
- ছাত্ৰ-ছাত্ৰীয়ে বুজি পোৱাকৈ যথাযথ ভাষাত দিয়া হয়
- সঠিক সময়ত দিয়া হয়। যদিহে অতি সোনকালে দিয়া হয়, ছাত্ৰ-ছাত্ৰীয়ে ভাবিব, "মই সেয়া কৰিবলৈ উলাইছিলোঁহে"। অতি পলমকৈ দিলে ছাত্ৰ-ছাত্ৰীৰ ধ্যান আনফালে যাবগৈ আৰু তেওঁলোকে পিছুৱাই যাবলৈ আৰু যি কোৱা হৈছিল তাক কৰিব নুখুজিব।

প্ৰতিপুষ্টি কথিত ৰূপত বা ছাত্ৰ-ছাত্ৰীৰ টোকা বহীত লিখিত ৰূপতেই নহওক কিয়, ই অধিক কাৰ্যকৰী হ'ব যদিহে তলত দিয়া নীতি-নিৰ্দেশনাসমূহ অনুসৰণ কৰা হয়

## প্ৰশংসা আৰু ইতিবাচক ভাষাৰ ব্যৱহাৰ (Using praise and positive language)

আমাক যেতিয়া প্ৰশংসিত বা উৎসাহিত কৰা হয় আমি সাধাৰণতে আমাক সমালোচনা কৰা বা শুধৰাই দিয়াতকৈ যথেষ্ট বেছি আনন্দ অনুভৱ কৰোঁ। পুনৰ দৃঢ়ীকৰণ আৰু ইতিবাচক ভাষা সমগ্ৰ শ্ৰেণীৰ বাবে আৰু সকলো বয়সৰ ব্যক্তিৰ বাবে অভিৰোচনামূলক অনুপ্ৰেৰণাদায়ক হয়। মনত ৰাখিব যে ছাত্ৰ-ছাত্ৰীসকলৰ বিষয়ে কোৱাতকৈ তেওঁলোকৰ কামৰ প্ৰতিহে বিশেষত্ব দি আৰু লক্ষ্য কৰি প্ৰশংসা কৰা উচিত নহ'লে ই ছাত্ৰ-ছাত্ৰীক আগবঢ়াত একো সহায় নকৰিব, 'Well done' (ভালেই কৰিছা) বুলি কোৱাটো সুনিৰ্দিষ্ট নহয়, গতিকে তলত দিয়া যিকোনো ধৰণে কোৱাটো বেছি ভাল হ'ব ;




## স্মাৰকৰ বা সহায়কৰ লগতে শুধৰণিৰ ব্যৱহাৰ (Using prompting as well as correction)

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে হোৱা আপোনাৰ কথা-বতৰাই তেওঁলোকৰ শিকনত সহায় কৰে। আপুনিদি ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ উত্তৰটো ভুল বুলি কৈ ক্ষান্ত থাকে, তেওঁলোকে অধিক চিন্তা কৰিবলৈ আৰু চেষ্টা কৰিবলৈ সুযোগ হেৰুৱাব। যদি আপুনি ছাত্ৰ-ছাত্ৰীক একোটা ইঙ্গিত দিয়ে বা আন এটা প্ৰ ্ন সোধে, আপুনি তেওঁলোকক আৰু গভীৰভাৱে ভাৱিবলৈ সহায় কৰিলে আৰু উত্তৰবোৰ বিচাৰিবলৈ তথা নিজৰ শিকনৰ দায়িত্ব লবলৈ তেওঁলোকক অনুপ্ৰাণিত কৰিলে। উদাহৰণস্বৰূপে, এটা বেছি ভাল উত্তৰ দিবলৈ উৎসাহ যোগাবলৈ বা এটা সমস্যা সমাধানৰ বাবে আন এক দিশ দেখুৱাবলৈ এনে ধৰণৰ কথা ক'ব পাৰে ঃ




অন্যান্য ছাত্ৰ-ছাত্ৰীসকলৰ পৰস্পৰক সহায় কৰিবলৈ উৎসাহিত কৰাটো যুগুত যথাযথ হ'ব। আপুনি তলত দিয়াধৰণৰ মন্তব্যৰে শ্ৰেণীৰ অন্যান্যসকলক আপোনাৰ প্ৰ ্ন মুকলি কৰি দি এয়া কৰিব পাৰে ঃ




বানান বা সংখ্যাৰ অভ্যাসৰ দৰে কাৰ্যৰ ক্ষেত্ৰত ‘yes’ বা ‘no’ (হয় বা নহয়) বুলি ছাত্ৰ-ছাত্ৰীক শুধৰাই দিয়াটো যথাযথ হ’ব পাৰে, কিন্তু ইয়াতো আপুনি ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ উত্তৰসমূহৰ উদ্ভৱ হোৱা ধৰণসমূহ চাবলৈ সহায় কৰিব পাৰে, একেধৰণৰ উত্তৰৰ সৈতে সংযোগ স্থাপন কৰিব বা আলোচনা মুকলি কৰিব পাৰে কিয় এটা নিৰ্দিষ্ট উত্তৰ অশুদ্ধ হয়।

স্ব-শুধৰণি আৰু সমনীয়া-শুধৰণি যথেষ্ট কাৰ্যকৰী আৰু যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে দলগতভাৱে ত্ৰি য়া-কলাপ বা কাৰ্য সম্পাদন কৰে তেতিয়া ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ আৰু ইজনে সিজনৰ কাম পৰীক্ষা কৰি চাবলৈ আপুনি তেওঁলোকক উৎসাহিত কৰিব পাৰে। এটা সময়ত এটাহে দিশ শুধৰাই দিয়াটোত গুৰুত্ব দিয়াটো উত্তম যাতে অত্যাধিক আহুকলীয়া তথ্য নাথাকে।

## সমল ২ ঃ দলগত কাৰ্যৰ ব্যৱহাৰ (Resource 2: Using groupwork)

দলগত কাৰ্য হৈছে এক পদ্ধতিগত, সত্ৰি য়, শৈক্ষিক কৌশল যিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ সৰু সৰু দলক একোটা সাধাৰণ লক্ষ্য প্ৰাপ্তিৰ বাবে একেলগে কাম কৰাৰ বাবে অনুপ্ৰাণিত কৰে। এই সৰু দলবোৰে সুসংগঠিত ত্ৰি য়া-কলাপৰ জৰিয়তে অধিক সত্ৰি য় আৰু কাৰ্যকৰীভাৱে শিকনত জড়িত হৈ পৰে।

### দলগত কাৰ্যৰ লাভালাভ (The benefits of groupwork)

দলগত কাৰ্যই এক অতি কাৰ্যকৰী উপায় হিচাপে আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক ভাৱিবলৈ, মত বিনিময় কৰিবলৈ আৰু ধাৰণা তথা চিন্তা-ভাৱনা আদান-প্ৰদান আৰু সিদ্ধান্ত গ্ৰহণ কৰিবলৈ উৎসাহিত কৰি শিকনৰ বাবে অভিৰোচিত কৰিব পাৰে। আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষণ আৰু আনৰ পৰা শিকন দুয়োটাকে পাৰে ঃ শিকনৰ এক অতি শক্তি শালী আৰু সত্ৰি য় ৰূপ।

দলগত কাৰ্য ছাত্ৰ-ছাত্ৰীসকল কেতবোৰ দলত বহাতকৈও ব্যাপক, ইয়াৰ লগত জড়িত হৈ আছে একোটা সুস্পষ্ট উদ্দেশ্য আগত ৰাখি এটা শিকন কাৰ্যত অংশ লোৱা আৰু বৰঙণি আগবঢ়োৱা। আপুনি শিকনৰ বাবে কিয় দলগত কাৰ্য ব্যৱহাৰ কৰিছে সেইবিষয়ে স্পষ্ট ধাৰণা লোৱা প্ৰয়োজন আৰু জনা উচিত কিয় বক্তৃতা প্ৰদান, যুৰীয়া কাৰ্য বা ছাত্ৰ-ছাত্ৰীৰ স্ব-কাৰ্যতকৈ ইয়াক অগ্ৰাধিকাৰ দিয়া হয়। সেয়েহে দলগত কাৰ্য সুপৰিকল্পিত আৰু উদ্দেশ্যমুখী হ’ব লাগে।

### দলগত কাৰ্যৰ পৰিকল্পনা (Planning groupwork)

কেতিয়া আৰু কেনেদৰে আপুনি দলগত কাৰ্য ব্যৱহাৰ কৰিব সেইয়া নিৰ্ভৰ কৰে পাঠৰ শেষত আপুনি কি শিকন প্ৰাপ্তি বিচাৰে তাৰ ওপৰত। আপুনি পাঠটোৰ আদিতে, অন্তত বা মধ্য ভাগত দলগত কাৰ্য অন্তৰ্ভুক্ত কৰিব পাৰে, কিন্তু আপুনি যথেষ্ট সময় দিয়াটো আৱশ্যক। আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে সম্পূৰ্ণ কৰিব পৰাকৈ কাৰ্যৰ বিষয়ে আপুনি ভৱাটো আৰু অতি নিয়াৰিকৈ দলসমূহ সংগঠিত কৰাটো প্ৰয়োজন।

এগৰাকী শিক্ষক হিচাপে আপুনি নিশ্চিত হ’ব পাৰে যে দলগত কাৰ্য সফল হ’ব যদিহে অগতীয়াকৈ আপুনি পৰিকল্পনা কৰে ঃ

- দলগত কাৰ্যটিৰ লক্ষ্যসমূহ আৰু আকাংক্ষিত ফলাফল
- কাৰ্যটিৰ প্ৰতিপুষ্টি বা সাৰাংশ কৰ্মসহ সময় নিৰ্দ্ধাৰণ
- দলসমূহ কেনেদৰে ভাগ কৰা হ’ব (কেইটা দল, প্ৰতিটো দলত কেইগৰাকীকৈ ছাত্ৰ-ছাত্ৰী, দল গঠনৰ চৰ্তাৱলী)
- দলসমূহ কেনেকৈ সংগঠিত কৰিব (দলৰ বিভিন্ন সদস্যৰ ভূমিকা, আৱশ্যকীয় সময়, সামগ্ৰী, নথীভুক্তকৰণ আৰু প্ৰতিবেদন)
- কেনেদৰে কোনো মান নিৰূপণ আৰু নথীভুক্ত কৰা হ’ব (ব্যক্তি গত মান নিৰূপনক দলীয় মান নিৰূপণৰ পৰা পৃথক কৰাত মন দিব)
- দলসমূহৰ ত্ৰি য়া-কলাপ আপুনি কেনেদৰে নিৰীক্ষণ কৰিব।

## দলীয় কাৰ্য (Groupwork tasks)

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলক সম্পাদন কৰিব দিয়া কাম নিৰ্ভৰ কৰে তেওঁলোকে কি শিকাটো আপুনি বিচাৰে তাৰ ওপৰত। দলগত কাৰ্যত ভাগ লৈ তেওঁলোকে কিছুমান কৌশল আহৰণ কৰিব যেনে - পৰস্পৰক শুনা, তেওঁলোকৰ ধ্যান-ধাৰণা ব্যাখ্যা কৰা আৰু সহযোগিতাৰে কাম কৰা। অৱশ্যে মূল লক্ষ্য হৈছে আপুনি শিকোৱা বিষয়টোৰ সম্পৰ্কে তেওঁলোকে যাতে কিছু শিকে। তেনে কাম-কাজৰ গোটাদিয়েক উদাহৰণৰ ভিতৰত তলত দিয়া ধৰণৰ হ'ব পাৰে।

- **উপস্থাপন (Presentations)** ঃ ছাত্ৰ-ছাত্ৰীসকলে দলত কাম কৰি শ্ৰেণীৰ অন্যান্য সকলৰ বাবে উপস্থাপন যুগুতায়। ই অতিকৈ ফলপ্ৰসূ হ'ব যদিহে প্ৰতিটো দলে বিষয় বস্তুটোৰ একোটাকৈ বিভিন্ন দিশ লয়। তেতিয়া একেটা বিষয়বস্তুকে কেইবাবাৰো শুনাতকৈ পৰস্পৰৰ কথা শুনিবলৈ আগ্ৰহী হৈ পৰে। প্ৰতিটো দলৰ উপস্থাপনৰ সময় নিৰ্ধাৰণৰ ক্ষেত্ৰত যথেষ্ট কঠোৰ হওক আৰু এটা ভাল উপস্থাপনৰ বাবে নিয়মাৱলী ঠিৰাং কৰি লওক। পাঠটোৰ আগতে সেইবোৰ ব'ৰ্ডত লিখি থওক। ছাত্ৰ-ছাত্ৰীসকলে তেতিয়া তেওঁলোকৰ উপস্থাপন পৰিকল্পনা কৰোঁতে আৰু পৰস্পৰৰ কাম মূল্যায়ন কৰোঁতে সেই নিয়মাৱলী ব্যৱহাৰ কৰিবপাৰিব। নিয়মাৱলীত অন্তৰ্ভুক্ত হ'ব পাৰে ঃ
    - উপস্থাপন স্পষ্ট হৈছিলনে?
    - উপস্থাপনটি সু-সংগঠিত আছিলনে?
    - উপস্থাপনটিৰ পৰা মই কিবা শিকিলোনে?
    - উপস্থাপটিয়ে মোক চিন্তাৰ খোৰাক দিলেনে?
- **সমস্যা সমাধান (Problem solving)** ঃ ছাত্ৰ-ছাত্ৰীসকলে একোটা বা কেইবাটাও সমস্যা সমাধানৰ বাবে দলত কাম কৰে। ইয়াত অন্তৰ্ভুক্ত হ'ব পাৰে বিজ্ঞানৰ কোনো সম্পৰীক্ষা চলোৱা, গণিতৰ সমস্যাৱলী সমাধান, ইংৰাজীৰ কোনো কবিতা বা গল্প বি ষণ নাইবা বুৰঞ্জীৰ কোনো প্ৰমান বি ষণ কৰা।
- **একোটা শিল্পকলা বা সামগ্ৰী সৃষ্টি কৰা (Creating an artefact or product)** ঃ ছাত্ৰ-ছাত্ৰীসকলে দলত কাম কৰি যুগুতাব একোটা সাধু বা গল্প, এখনি নাটক, এটি সংগীত, এটা ধৰাণা ব্যাখ্যা কৰিবলৈ একোটা আৰ্হি, কোনো বিষয়লৈ এটি বাৰ্ত্তা প্ৰতিবেদন অথবা তথ্যৰ সাৰাংশ বা কোনো ধাৰণা ব্যাখ্যা কৰিবলৈ একন প'ষ্টাৰ দলসমূহক একোটা নতুন বিষয়বস্তু আৰম্ভ কৰি চিন্তন মন মানচিত্ৰ কৰিবলৈ পাঁচ মিনিট দিলে আপুনি ক'ব পাৰিব তেওঁলোকে ইতিমধ্যে কি জানে আৰু পাঠটি যথোপযুক্ত পৰ্যায়ত প্ৰদান কৰাত ই সহায় কৰিব
- **বিভিন্নধৰণৰ ত্ৰি য়া-কলাপ (Differentiated tasks)** ঃ দলত বিভিন্ন বয়স বা সক্ষমতা পৰ্যায়িৰ ছাত্ৰ-ছাত্ৰীসকলে একোটা যথোপযুক্ত কাম একেলগে কৰিবলৈ সুযোগ লাভ কৰে। উচ্চ সমৰ্থবান সকলে কামটো ব্যাখ্যা কৰিবলৈ পোৱা সুযোগৰ পৰা লাভান্বিত হ'ব, আনহাতে নিম্নতৰ সমৰ্থবান সকলে এটা শ্ৰেণীতকৈ দল এটাত প্ৰ. সুধিবলৈ অধিক সহজ পাব আৰু তেওঁলোকৰ শ্ৰেণীৰ লগৰীয়াসকলৰ পৰা শিকিব।
- **আলোচনা (Discussion)** ঃ ছাত্ৰ-ছাত্ৰীসকলে একোটা বিষয় ঠিৰাং কৰে আৰু এটা সিদ্ধান্তত উপনীত হয়। ইয়াৰ বাবে আপোনাৰ নিজৰ যথেষ্ট প্ৰস্তুতিৰ প্ৰয়োজন আছে যাতে বিভিন্ন বিকল্প ঠিৰাং কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ যে পৰ্যাপ্ত জ্ঞান আছে সেইয়া আপুনি নিশ্চিত হ'ব পাৰে। কিন্তু একোটা আলোচনা বা বিতৰ্ক সংগঠিত কৰাটো আপোনাৰ আৰু তেওঁলোকৰ উভয়ৰে বাবে অতি লাভদায়ক হ'ব পাৰে।

## দলসমূহ সংগঠিতকৰণ (Organising groups)

চাৰিজনীয়াৰ পৰা আঠজনীয়া দল আদৰ্শনীয় কিন্তু ই নিৰ্ভৰ কৰিব আপোনাৰ শ্ৰেণীৰ আকাৰ, স্থানীয় পৰিৱেশ আৰু আচ-বাব আৰু আপোনাৰ শ্ৰেণীৰ অৰ্হতাপ্ৰাপ্তি আৰু বয়সৰ পৰিসৰৰ ওপৰত। সাধাৰণতে, একোটা দলৰ প্ৰত্যেকেই প্ৰত্যেকক দেখি থকা, নিচিএঞৱাকৈ কথা পতা আৰু দলটিৰ ফলাফললৈ বৰঙণি আগবঢ়োৱা আৱশ্যক।

- ঠিৰাং কৰক কেনেকৈ আৰু কিয় আপুনি ছাত্ৰ-ছাত্ৰীসকলক দলত ভাগ কৰিব, উদাহৰণস্বৰূপে - দলসমূহক বন্ধুত্ব, ৰুচী বা একেধৰণৰ অথবা মিশ্ৰিত আহৰণৰ ভিত্তিত আপুনি বিভাজিত কৰিব পাৰে।
- বিভিন্ন পন্থা পৰীক্ষা কৰি চাওক আৰু প্ৰত্যেক শ্ৰেণীৰ বাবে কোনটো সৰ্বোত্তম কাৰ্যকৰী হয় তাক পৰ্যালোচনা কৰক।

## দলগত কাৰ্য ব্যৱস্থাপনা Managing groupwork

ভাল দলগত কাৰ্য ব্যৱস্থাপনা কৰিবলৈ আপুনি সময়সূচী আৰু নিয়মাৱলী ঠাৰৰ কৰি লওক। যেতিয়া আপুনি নিয়মীয়াকৈ দলগত কাৰ্য ব্যৱহাৰ কৰে, ছাত্ৰ-ছাত্ৰীসকলে জানিব আপুনি কি আশা কৰে আৰু ইয়াক আনন্দদায়ক পাব। প্ৰথমতে দলীয় বা দলগতভাৱে একেলগে কাম কৰাৰ লাভালাভসমূহ চিনাক্ত কৰণৰ অৰ্থে আপোনাৰ শ্ৰেণীটোৰ সৈতে কাম কৰাটো এটা ভাল ধাৰণা। আপোনালোকে আলোচনা কৰা উচিত কিহে ভাল দলগত আচৰণ প্ৰস্তুত কৰে আৰু সম্ভৱতঃ এখন 'নিয়ম'ৰ তালিকাসৃষ্টি হ'ব যাক প্ৰদৰ্শন কৰি থ'ব পৰা যাব, উদাহৰণস্বৰূপে - পৰস্পৰৰ প্ৰতি সন্মান, শ্ৰৱণ, পৰস্পৰক সহায় কৰা, একাধিক ধাৰণা চেষ্টা কৰি চোৱা ইত্যাদি।

দলগত কাৰ্য সম্পৰ্কে সুস্পষ্ট মৌখিক নিৰ্দেশনা দিয়া তথা প্ৰসংগৰ বাবে কৃষ্ণ ফলকত সেইয়া লিখি থোৱাটো অতি আৱশ্যক। আপোনাৰ প্ৰয়োজন ঃ

- আপোনাৰ আঁচনি অনুসৰি যি যি দলত কাম কৰিব ছাত্ৰ-ছাত্ৰীসকলক সেইমতে নিৰ্দেশিত কৰক, বোধ হয় শ্ৰেণীকোঠাৰ যি অঞ্চলত তেওঁলোকে কৰিব তাক ঠিক কৰি দিয়ক নাইবা কোনো আচ-বাব বা স্কুল বা আঁতৰ কৰিবলৈ নিৰ্দেশনা দিয়ক।
- কাৰ্যটি সম্পৰ্কে স্পষ্ট হৈ লওঁক আৰু ইয়াক চমু নিৰ্দেশাৱলী বা ছবিৰে ব'ৰ্ডত লিখি দিয়ক। আপুনি আৰম্ভ কৰাৰ আগতে ছাত্ৰ-ছাত্ৰীসকলক প্ৰ ্ন সুধিবলৈ দিয়ক।

পাঠদানৰ সময়ত দলসমূহে কেনেদৰে কৰিছে ঘূৰি ফুৰি পৰ্যৱেক্ষণ আৰু নিৰীক্ষণ কৰক। য'ত আৱশ্যক হয় পৰামৰ্শ আগবঢ়াওক যদিহে কামটোৰ পৰা তেওঁলোক আঁতৰি যায় বা থমকি ৰয়।

কামটোৰ সময়তে আপুনি হয়তো দলসমূহ সলাব খুজিব। যেতিয়া দলগত কাৰ্য সম্পৰ্কে আপুনি আস্থাশীল অনুভৱ কৰে, আপুনি প্ৰয়াস কৰি চাবলৈ ইয়াত দুটা কৌশল দিয়া হ'ল - বিশেষকৈ একোটা বৃহৎ শ্ৰেণী ব্যৱস্থাপনা কৰোঁতে এইবোৰে সহায় কৰিব ঃ

- **সুদক্ষ দল (Expert groups)** ঃ প্ৰতিটো দলকে বিভিন্ন কাম দিয়ক, যেনে - বিদ্যুৎ উৎপাদন কৰাৰ এটি উপায় গৱেষণা উদ্ভাৱন কৰা বা এখন নাটকৰ বাবে এটি চৰিত্ৰ সৃষ্টি কৰা। এক সুবিধাজনক সময়ৰ পাছত দলসমূহ পুনৰ্গঠিত কৰক যাতে প্ৰতিটো নতুন দল আটাইবোৰ মূল দলৰ পৰা অহা একেগৰাকীকৈ 'সুদক্ষ' সদস্য থকাকৈ গঠিত হয়। এতিয়া তেওঁলোকক এটা কাম দিয়ক যে সকলো 'সুদক্ষ' ৰ পৰা জ্ঞান সংগৃহীত হয়, যেনে - কেনেধৰণৰ শক্তি কেন্দ্ৰ সাজিব লাগিব সেইয়া ঠিৰাং কৰা নাইবা এখনি নাটক প্ৰস্তুত কৰা।
- **দূত (Envoys)** ঃ যদিহে কামটোত কিবা সৃষ্টি কৰা বা এটা সমস্যা সমাধানৰ কথা জড়িত হৈ থাকে তেনেহ'লে ক্ষন্তেক পাছতে প্ৰতিটো দলক এগৰাকীকৈ 'দূত' আন এটা দললৈ পঠিয়াবলৈ কওঁক। তেওঁলোকে ধ্যান-ধাৰণাসমূহ নাইবা সমস্যাটোৰ সমাধানবোৰ তুলনা কৰি চাব পাৰে আৰু তাৰ পাছত নিজ নিজ দললৈ আহি প্ৰতিবেদন দিব পাৰে। এনেদৰে দলবোৰে পৰস্পৰৰ পৰা শিকিব পাৰিব।

কাৰ্যটিৰ শেষত যি শিকা হ'ল তাৰ সাৰাংশ উলিয়াওক আৰু আপুনি দেখা কোনো ভুল বুজাবুজিখিনি শুধৰাই দিয়ক। প্ৰত্যেক দলৰ পৰা আপুনি প্ৰতিপুষ্টি শুনিবলৈ বিচাৰিব পাৰে নাইবা যি এটা বা দুটা দলৰ কোনো ভাল ধ্যান-ধাৰণা থকা বুলি আপুনি ভাবে তেওঁলোকক কেৱল সুধিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিবেদন চমুকৈ ৰাখক আৰু আন দলৰ কামৰ পৰা কি ভালকৈ কৰা হৈছে, কি মনোগ্ৰাহী আছিল আৰু কি অধিক বিকাশ কৰিব লাগিব চিনাক্ত কৰি প্ৰতিপুষ্টি আগবঢ়াবলৈ তেওঁলোকক অনুপ্ৰাণিত কৰক।

আপুনি আনকি আপোনাৰ শ্ৰেণীকোঠাত দলগত কাৰ্য কৰাবলৈ খুজিলেও কোনো কোনো সময়ত তাক সংগঠিত কৰাত টান পাব পাৰে কাৰণ কিছুমান ছাত্ৰ-ছাত্ৰীয়ে ঃ

- সত্ৰি য় শিকনত বাধা দিয়ে আৰু নিয়োজিত নহয়
- আগ্ৰাসী হয় বা প্ৰভূত্বশীল হয়
- আন্তঃব্যক্তি কৌশলসমূহৰ অভাৱৰ বাবে বা আস্থাহীনতাৰ বাবে অংশগ্ৰহণ নকৰে।

দলগত কাৰ্য ব্যৱস্থাপনা কাৰ্যকৰী কৰিবলৈ হ'লে ওপৰত দিয়া আটাইবোৰ মূল কথা পুনঃ বি ষণ কৰাটো প্ৰয়োজন, তদুপৰি শিকন ফলাফলসমূহ কিমানদূৰ পোৱা গ'ল আৰু কিমান ভালদৰে আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে সঁহাৰি জনালে (তেওঁলোক আটায়ে উপকৃত হ'লনে?) নিশ্চিত কৰা উচিত। দলীয় কাৰ্যটিত সংযোজিত কৰিবলৈ আপুনি সযতনে বিবেচনা আৰু পৰিকল্পনা কৰক, সমলসমূহ, সময় বা দলসমূহৰ উপাদান ঠিক কৰি লওক।

গৱেষণাই পৰামৰ্শ দিছে যে ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা আহৰণৰ বাবে ইতিবাচক প্ৰভাৱ পেলাবলৈ সকলো সময়তে দলত শিকনৰ প্ৰয়োজন নাই, গতিকে প্ৰতিটো পাঠতেই ইয়াক ব্যৱহাৰ কৰাৰ বাধ্যবাধকতা সম্পৰ্কে আপুনি ভাবিব নালাগে। দলগত কাৰ্যক এক অতিৰিক্ত পদ্ধতি হিচাপে ব্যৱহাৰ কৰিবলৈ আপুনি ঠিৰাং কৰিব পাৰে, উদাহৰণস্বৰূপে, একেটা বিষয়বস্তু সলনি কৰাৰ বিৰতি হিচাপে নাইবা শ্ৰেণীত আলোচনা তাৎক্ষণিকভাৱে আৰম্ভ কৰাৰ বাবে পৰীক্ষামূলক শিকন ত্ৰি য়া-কলাপৰ আৰম্ভণি বা সূচনাকাৰী আৰু শ্ৰেণীকোঠাৰ সমস্যা সমাধানৰ অনুশীলনী অথবা বিষয়বস্তুসমূহ পৰ্যালোচনা কৰাৰ কাৰ্য হিচাপেও ইয়াক ব্যৱহাৰ কৰিব পৰা যায়।

# Additional resources

- Karadi Tales: http://www.karaditales.com/
- National Book Trust India: http://www.nbtindia.gov.in/
- NCERT textbooks: http://www.ncert.nic.in/NCERTS/textbook/textbook.htm
- Teachers of India classroom resources: http://www.teachersofindia.org/en

# References/bibliography

Bromley, H. (2000) *Book-based Reading Games*. London: Centre for Literacy in Primary Education.

Bryant, P. and Nunes, T. (eds) (2004) *Handbook of Children's Literacy*. Dordrecht: Kluwer Academic Publishers.

Dombey, H. and Moustafa, M. (1998) *Whole to Part Phonics: How Children Learn to Read and Spell*. London: Centre for Literacy in Primary Education.

Goswami, U. (2010a) 'Phonology, reading and reading difficulties' in Hall, K., Goswami, U., Harrison, C., Ellis, S. and Soler, J. (eds) *Interdisciplinary Perspectives on Learning to Read*. London: Routledge.

Goswami, U. (2010b) 'A psycholinguistic grain size view of reading acquisition across languages' in Brunswick, N., McDougall, S. and Mornay-Davies, P. (eds) *The Role of Orthographies in Reading and Spelling*. Hove: Psychology Press.

Graham, J. and Kelly, A. (2012) *Reading under Control: Teaching Reading in the Primary School*, 3rd edn. London: Routledge.

Hall, K., Goswami, U., Harrison, C., Ellis, S. and Soler, J. (eds) (2010) *Interdisciplinary Perspectives on Learning to Read: Culture, Cognition and Pedagogy*. London: Routledge.

# Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

Figure 1: Example of reading card from Reading Card 1, English 100, Central Institute of English and Foreign Languages: CIEFL Hyderabad, 2000.

Figure 2: Example of reading card from Reading Cards 100 and 41, English 100, CIEFL: CIEFL Hyderabad, 2000.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.